**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

**0000**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহমেদাবাদৰ ফুল প্ৰদৰ্শনীক সৃষ্টিশীলতা, বহনক্ষমতা আৰু জনসাধাৰণৰ অংশগ্ৰহণক একত্ৰিত কৰাৰ প্ৰয়াসৰ বাবে প্ৰশংসা কৰে।

২। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই জানিবলৈ দিছে যে বিশ্ব স্বাস্থ্য সংস্থাৰ ঔষধৰ নিৰীক্ষণৰ ক্ষেত্ৰত ভাৰত বৰ্তমান অষ্টম স্থান অধিকাৰ কৰিছে।

৩। অসম চৰকাৰে বস্ত্ৰ মন্ত্ৰালয়ৰ সহযোগিতাত এখন ৰাষ্ট্ৰীয় বস্ত্ৰ মন্ত্ৰীসকলৰ সন্মিলনৰ আয়োজন কৰিছে।

৪। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ইৰাণৰ নিৰাপত্তা বাহিনীসমূহে প্ৰদৰ্শনকাৰীসকলক গুলীবৰ্ষণ কৰিলে আমেৰিকাই প্ৰদৰ্শনকাৰীক সমৰ্থন কৰিব বুলি ভাবুকি দিছে।

*আৰু*

৫। টেনিছ তাৰকা ভেনাছ উইলিয়ামছ ৪৫ বছৰ বয়সত অষ্ট্ৰেলিয়ান অ'পেন টেনিছৰ মূল প্ৰতিযোগিতাত অংশ লোৱা আটাইতকৈ বৰ্ষীয়ান খেলুৱৈ হিচাপে পৰিগণিত হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহমেদাবাদৰ ফুল প্ৰদৰ্শনীক সৃষ্টিশীলতা, বহনক্ষমতা আৰু জনসাধাৰণৰ অংশগ্ৰহণক একত্ৰিত কৰাৰ প্ৰয়াসৰ বাবে প্ৰশংসা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে এই অনুষ্ঠানৰ দ্বাৰা চহৰখনে প্ৰকৃতিৰ প্ৰতি থকা স্পৃহা আৰু প্ৰেমক প্ৰতিফলিত কৰে বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে লগতে বছৰজুৰি এই ফুলৰ প্ৰদৰ্শনী চলি থকাৰ বাবে আশা ব্যক্ত কৰে। উল্লেখযোগ্য যে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে কালি সাবৰমতী নদীৰ পাৰত ১৪ সংখ্যক এই আন্তঃৰাষ্ট্ৰীয় ফুল প্ৰদৰ্শনী মুকলি কৰিব। **ভাৰত এক গাঁথা** শীৰ্ষক এই ফুলৰ প্ৰদৰ্শনীয়ে দেশৰ চহকী আৰু বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰা প্ৰতিফলিত কৰে। অহা ২২ তাৰিখে এই প্ৰদৰ্শনীৰ সামৰণি পৰিব।

আহমেদাবাদ পৌৰ নিগমে আয়োজন কৰা এই প্ৰদৰ্শনীয়ে বৃহৎ পৰিসৰত ফুলৰ ক্ষেত্ৰখনত সংস্থাপনৰ সুবিধা প্ৰদান কৰাৰ লগতে অধিক হাৰত জনসাধাৰণক আকৰ্ষণ কৰিছে। বিশ্বৰ সৰ্ববৃহৎ ফুলৰ মাণ্ডালা চিত্ৰকলা আৰু বিশ্বৰ সৰ্ববৃহৎ ফুলৰ প্ৰতিকৃতিৰ বাবে দুটা গিনিজ ৱৰ্ল্ড ৰেকৰ্ড গঢ়াৰ লগতে ৰাষ্ট্ৰীয় নেতা চৰ্দাৰ বল্লব ভাই পেটেলৰ ছবি অংকন কৰাৰ পাছত এই প্ৰদৰ্শনীয়ে আন্তঃৰাষ্ট্ৰীয় মঞ্চত চৰ্চা লাভ কৰে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পৱিত্ৰ পিপ্ৰাহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ভগৱান বুদ্ধৰ মহান বাণীসমূহ অধিক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত তেওঁৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। দেশৰ যুৱ প্ৰজন্মৰ মাজত দেশৰ চহকী সংস্কৃতিক অধিক জনপ্ৰিয় কৰাৰ প্ৰয়াস কৰা হৈছে। শ্ৰীমোদীয়ে কয় যে পিপ্ৰাহৱাৰ এই প্ৰামাণিক অৱশেষ আৰু প্ৰত্নতাত্বিক সামগ্ৰীসমূহ নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সংগ্ৰাহালয় আৰু কলকাতাৰ ভাৰতীয় সংগ্ৰাহালয়ত সংৰক্ষণ কৰি ৰক্ষা হৈছে। তেওঁ এই অৱশেষসমূহ স্বদেশলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে সকলোৰে প্ৰশংসা কৰিছে।

উল্লেখযোগ্য যে উনবিংশ শতিকাৰ শেষ ভাগত আৱিষ্কৃত পিপ্ৰাহৱা অৱশেষ শাক্য বংশৰ প্ৰতিষ্ঠাতা গৌতম বুদ্ধৰ সৈতে জড়িত বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। এই অৱশেষৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন আৰু ৰাজহুৱা প্ৰদৰ্শনীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বুদ্ধৰ শিকনিসমূহত নিহিত শান্তি, কৰুণা আৰু জ্ঞানৰ সাৰ্বভৌম প্ৰমূল্যৰাজি প্ৰসাৰৰ নিৰন্তৰ প্ৰচেষ্টাকে প্ৰতিফলিত কৰে।

০০০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই জানিবলৈ দিছে যে বিশ্ব স্বাস্থ্য সংস্থাৰ ঔষধৰ নিৰীক্ষণৰ ক্ষেত্ৰত ভাৰত ১০ বছৰৰ পূৰ্বৰ ১২৩ সংখ্যক স্থানৰ পৰা বৰ্তমান অষ্টম স্থান অধিকাৰ কৰিছে। নতুন দিল্লীত আজি ঔষধৰ মান সম্পৰ্কীয় দশম সংস্কৰণ ভাৰতীয় ঔষধ কোষ ২০২৬ মুকলি কৰি এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে নতুনকৈ প্ৰকাশ কৰা এই ঔষধ কোষত ১২১টা বিৱন্ধসহ মুঠ ৩ হাজাৰ ৩৪০টা বিশেষ লেখা প্ৰকাশ কৰা হৈছে। শ্ৰীনাড্ডাই কয় যে প্ৰথমবাৰৰ বাবে সন্নিৱিষ্ট কৰা ২০টা ৰক্তৰ উপাদানৰ দ্বাৰা ৰক্ত সঞ্চাৰণ, থেলাছেমিয়া, হেমোফিলিয়া আৰু এনিমিয়াৰ অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰত অধিক সহায়ক হ'ব। শ্ৰীনাড্ডাই লগতে কয় যে তেজৰ সবিশেষ তথ্য অন্তৰ্ভুক্ত কৰা ভাৰত প্ৰথম দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ কয় যে নতুন লেখাসমূহে ৰাষ্ট্ৰীয় যক্ষ্মামুক্ত আঁচনি, ৰক্তহীনতামুক্ত ভাৰত আৰু উমৈহতীয়া টীকাকৰণ আঁচনিৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে সহায় কৰিব। তেওঁ কয় যে ভাৰতীয় ঔষধ কোষে বৰ্তমান ১৯খন উন্নয়নশীল আৰু বিকশিত দেশৰ স্বীকৃতি লাভ কৰিছে।

০০০০০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে কেন্দ্ৰীয় চৰকাৰে কৃষকসকলৰ আয় বৃদ্ধি কৰাৰ বাবে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। নাছিকত আজি মন্ত্ৰীগৰাকীয়ে কয় যে কৃষকসকলৰ কল্যাণৰ বাবে ভালেমান আঁচনি ৰূপায়ণ কৰা হৈছে। তেওঁ কৃষিখণ্ডৰ সবলীকৰণৰ ক্ষেত্ৰত প্ৰয়োজনীয় সকলো ধৰণৰ সুবিধা প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে।

০০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কৈছে যে প্ৰযুক্তিৰ জৰিয়তে ভাৰতৰ বিকাশ যাত্ৰা অগ্ৰসৰ হৈছে। নতুন দিল্লীত আজি মন্ত্ৰালয়ৰ বিগত বৰ্ষৰ সাফল্য সন্দৰ্ভত সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ২০১৪ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। শ্ৰীসিঙে কয় যে প্ৰযুক্তি আৰু উদ্ভাৱনৰ জৰিয়তে দেশৰ ভৱিষ্যতৰ বিকাশ সাধন হ'ব। তেওঁ লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত প্ৰথমবাৰৰ বাবে ব্যক্তিগত খণ্ডক সহায় কৰিবলৈ আগুৱাই আহিছে।

০০০০০০০০০

অসম চৰকাৰে ভাৰতক বস্ত্ৰ উৎপাদনৰ গোলকীয় হাব হিচাপে গঢ়ি তোলাৰ বাবে ৰাষ্ট্ৰীয় কৌশল গ্ৰহণ কৰাৰ বাবে বস্ত্ৰ মন্ত্ৰালয়ৰ সহযোগিতাত ৰাষ্ট্ৰীয় বস্ত্ৰ মন্ত্ৰীসকলৰ এখন সন্মিলনৰ আয়োজন কৰিছে। ভাৰতৰ বস্ত্ৰ উদ্যোগ - ইয়াৰ বিকাশ, ঐতিহ্য আৰু উদ্ভাৱন -মূল বিষয়বস্তুৰে গুৱাহাটীত ৮ জানুৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে এই সন্মিলন অনুষ্ঠিত হ'ব। ৩৫০ বিলিয়ন আমেৰিকান ডলাৰ বস্ত্ৰ উদ্যোগৰ প্ৰতি লক্ষ্য ৰাখি আৰু ২০৩০ চনৰ ভিতৰত ভাৰতৰ বস্ত্ৰৰ ৰপ্তানি ১০০ বিলিয়ন আমেৰিকান ডলাৰৰ সাফল্য অৰ্জনৰ লক্ষ্যৰে এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত আন্তঃগাঁথনি আৰু বিনিয়োগ, ৰপ্তানি বৃদ্ধি, প্ৰতিযোগিতামূলক ভাৱধাৰা, কেঁচাসামগ্ৰী আৰু আঁহ, নতুন উদ্ভাৱনেৰে বৰ্তমানৰ বজাৰৰ প্ৰতি লক্ষ্য ৰাখি হস্ততাঁত আৰু হস্তশিল্প সামগ্ৰীৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। মন্ত্ৰালয়ে জানিবলৈ দিছে যে এই সন্মিলনৰ মুকলি অনুষ্ঠানত বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। দেশৰ আন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিভাগীয় মন্ত্ৰীসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ইৰাণৰ নিৰাপত্তা বাহিনীসমূহে যদি দেশখনৰ প্ৰদৰ্শনকাৰীসকলৰ ওপৰত গুলীবৰ্ষণ কৰে তেতিয়া আমেৰিকাই প্ৰদৰ্শনকাৰীক সমৰ্থন কৰিব বুলি ভাবুকি দিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী ট্ৰাম্পে কয় যে ইৰাণৰ অশান্ত পৰিস্থিতিৰ ফলত ভালেমান লোকৰ মৃত্যু হৈছে। ৰাষ্ট্ৰপতি ট্ৰাম্পৰ বাৰ্তাটোৰ প্ৰত্যুত্তৰত ইৰাণৰ এগৰাকী চৰকাৰী শীৰ্ষ বিষয়া আলী লাৰিজানিয়ে আমেৰিকাক সকিয়াই দি কয় যে যদিহে দেশখনে ইৰাণৰ অভ্যন্তৰীণ বিষয়সমূহত হস্তক্ষেপ কৰে তেতিয়া সমগ্ৰ অঞ্চলটোত অস্থিৰতা বিয়পোৱা বুলি ধৰি লোৱা হ'ব। ইৰাণৰ বিভিন্ন প্ৰান্তত মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদকাৰীসকলে ব্যাপক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি আছে। দেশখনৰ পশ্চিম প্ৰান্তৰ ল'ৰেস্তান, ছাহাৰমহল আৰু বখ্‌তিয়াৰীত নিৰাপত্তা বাহিনী আৰু প্ৰতিবাদকাৰীসকলৰ মাজত হতাহতি অব্যাহত আছে। উল্লেখযোগ্য যে বিগত বৰ্ষৰ জুন

মাহত ইৰাণত ইজৰাইলে চলোৱা বিমান আক্ৰমণত আমেৰিকাই সহযোগিতা আগবঢ়াই ভালেমান পৰমাণু আন্তঃগাঁথনি ধ্বংস কৰিছিল।

ooooooooo

বিজেপিয়ে আজি পশ্চিম বংগত আইন-শৃংখলা পৰিস্থিতি সম্পূৰ্ণৰূপে অৱনমিত হৈছে বুলি অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত এখন সংবাদ মেলত দলৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই অভিযোগ কৰি কয় যে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে তোষামোদৰ ৰাজনীতিৰ বাবে অবৈধ অনুপ্ৰৱেশকাৰীৰ প্ৰতি নৰম স্থিতি গ্ৰহণ কৰিছে। তেওঁ কয় যে মমতা বেনাৰ্জীয়ে সেয়েহে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ বিৰোধিতা কৰিছে।

oooooo

ই-প্ৰশাসন ২০২৬ৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে মুঠ ৮০২খন মনোনয়ন লাভ কৰা হৈছে। ই-প্ৰশাসনৰ ৰূপায়ণৰ পদক্ষেপসমূহ তথা ইয়াৰ স্বীকৃতি আৰু উৎকৃষ্টতা প্ৰসাৰ কৰাৰ বাবে এই ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়। কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেন্সন মন্ত্ৰালয়ে জানিবলৈ দিছে যে চলিত বৰ্ষত ৭টা পৰ্যায়ত এই বঁটা প্ৰদান কৰা হ'ব।

ooooooooo

টেনিছ তাৰকা ভেনাছ উইলিয়ামছ ৪৫ বছৰ বয়সত অষ্ট্ৰেলিয়ান অ'পেন টেনিছৰ মূল প্ৰতিযোগিতাত অংশ লোৱা আটাইতকৈ বৰ্ষীয়ান খেলুৱৈ হিচাপে পৰিগণিত হ'ব। ৭টা গ্ৰেণ্ড শ্লেম খিতাপ অৰ্জন কৰা তাৰকাগৰাকীক প্ৰতিযোগিতাৰ বাবে ৱাইল্ড কাৰ্ড প্ৰদান কৰা হৈছে। তেওঁ ১৮ জানুৱাৰীত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। আমেৰিকাৰ খেলুৱৈগৰাকীয়ে ২০১৫ চনত জাপানৰ কিমিকো ডাটেই ৪৪ বছৰ বয়সত প্ৰতিযোগিতাত অংশ লোৱাৰ অভিলেখ ভংগ কৰিব। ২০২৩ চনৰ পৰা ভেনাছ উইলিয়ামছে আমেৰিকাৰ বাহিৰত এখনো প্ৰতিযোগিতাত অংশ লোৱা নাই।

ooooooooo

কেবিনেট সচিব টি ভি সোমনাথনে কয় যে প্ৰধানমন্ত্ৰীৰ ধ্বজাবাহী মঞ্চৰ বাবে সক্ৰিয় শাসন আৰু সময়োপযোগী প্ৰয়োগ চমুকৈ প্ৰগতিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধাৰণা প্ৰদান কৰিছে। তেওঁ কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ সমন্বয় উন্নতি কৰি জটিল সমস্যাৰ সন্মুখীন হোৱা প্ৰকল্পসমূহৰ সমস্যা দূৰ কৰাই হৈছে প্ৰগতিৰ মূল উদ্দেশ্য। প্ৰগতিৰ ৫০ সংখ্যক বৈঠকত অংশগ্ৰহণ কৰি সামাজিক মাধ্যমৰ আগত শ্ৰীসোমনাথনে কয় যে ই হৈছে ১০ বছৰীয়া এটা পৰিক্ৰমা। তেওঁ কয় যে প্ৰগতি ব্যৱস্থাই কেন্দ্ৰীয় মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ সক্ৰিয় সহযোগিতাৰ জৰিয়তে প্ৰকল্প নিৰীক্ষণ, নাগৰিকৰ অভিযোগ নিৰাময় আৰু আঁচনি ৰূপায়ণ পৰ্যালোচনাৰ বাবে প্ৰযুক্তিগত মঞ্চ প্ৰদান কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যৰ মুখ্য সচিব আৰু কেন্দ্ৰীয় মন্ত্ৰালয় তথা বিভিন্ন বিভাগৰ সচিবসকলৰ সৈতে প্ৰগতি পৰ্যালোচনা বৈঠকৰ বাবে পোনপটীয়াকৈ অধ্যক্ষতা কৰি নিৰ্দিষ্ট প্ৰকল্প আৰু আঁচনিৰ বিষয়ে পৰ্যালোচনা কৰে।

ooooooooo

সমাপ্ত